**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক সমাগত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাৰ এন ডি এৰ সিদ্ধান্তক আদৰণি জনাইছে।

৩। চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়ি আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৪। ইউৰোপীয় শীৰ্ষ নেতাসকলে আজি ৱাশ্বিংটনত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিক আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত সংগ দিব। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত কালি ইষ্ট বেংগলে মোহন বাগান ছুপাৰ জায়েণ্টক ২-১ৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক সমাগত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ত দলৰ সংসদীয় সমিতিৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে এন ডি এৰ সকলো লোকে এই সিদ্ধান্তৰ সমৰ্থন কৰিছে। শ্ৰীনাড্ডাই লগতে কয়, যে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে বিজেপিয়ে সকলো দলৰ সৈতে সমন্বয় ৰক্ষাৰ প্ৰয়াস কৰিব। বিগত সপ্তাহত এন ডি এৰ সহযোগী দল আৰু বিৰোধী পক্ষৰ দলসমূহৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰা হৈছিল বুলি শ্ৰীনাড্ডাই উল্লেখ কৰে।

কালিৰ বৈঠকত সংসদীয় সমিতিৰ অন্যান সদস্যসকলৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকে। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন অহা ৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে এন ডি এই মনোনীত কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে শ্ৰীৰাধাকৃষ্ণনে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা সেৱাত সমৰ্পণ, বিনম্ৰতা আৰু বুদ্ধিমত্তাৰ জৰিয়তে নিজৰ এটা বিশেষ পৰিচয় গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে শ্ৰীৰাধাকৃষ্ণনে সদায়ে সমুদায়ৰ সেৱাৰ লগতে বিভিন্ন সময়ত পিছপৰা শ্ৰেণীৰ সবলীকৰণত গুৰুত্ব আৰোপ কৰি আহিছে। তামিলনাডুত তৃণমূল পৰ্যায়ত বহু কাম কৰাৰ উপৰি সাংসদ আৰু বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল হিচাপে শ্ৰীৰাধাকৃষ্ণনৰ বহু অভিজ্ঞতা

আছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে শ্ৰীৰাধাকৃষ্ণন এগৰাকী অনুপ্ৰেৰণামূলক উপ-ৰাষ্ট্ৰপতি হ'ব পাৰিব বুলি বিশ্বাস ব্যক্ত কৰে।

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও শ্ৰীৰাধাকৃষ্ণনক এন ডি এৰ উপ-ৰাষ্ট্ৰপতি প্ৰাৰ্থী হিচাপে মনোনীত হোৱাৰ বাবে শুভেচ্ছা জনায়।

ooooo

চীনৰ বৈদেশিক মন্ত্ৰী তথা দেশখনৰ কমিউনিষ্ট দলৰ কেন্দ্ৰীয় সমিতিৰ সৰ্বোচ্চ গোটৰ সদস্য ৱাং য়ি আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালৰ আমন্ত্ৰণ মৰ্মে নেতাগৰাকী ভাৰতলৈ আহিব। ভ্ৰমণৰ সময়ছোৱাত চীনৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে ভাৰত-চীন সীমান্ত বিষয় সন্দৰ্ভত ভাৰতৰ বিশেষ প্ৰতিনিধি অজিত দোভালৰ সৈতে ২৪ সংখ্যক বিশেষ প্ৰতিনিধি আলোচনা বৈঠকত মিলিত হ'ব। ভাৰতৰ বৈদেশিক মন্ত্ৰী ড০ এছ্ জয়শংকৰে ৱাং য়িৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

ooooo

ইউৰোপীয় শীৰ্ষ নেতাসকলে আজি ৱাশ্বিংটনত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিক আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত সংগ দিব। ইউক্ৰেইনত চলি থকা যুদ্ধৰ শীঘ্ৰে সমাধানৰ বাবে এই বৈঠকৰ আয়োজন কৰা হৈছে। এই উচ্চপৰ্যায়ৰ ইউৰোপীয় প্ৰতিনিধিসকলৰ ভিতৰত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ছাৰ কেইৰ ষ্টাৰমাৰ, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', জাৰ্মান চেঞ্চেলৰ ফ্ৰেডৰিক মাৰ্জ, ইউৰোপীয় আয়োগৰ সভাপতি উৰ্চুলা ভন ডেৰ লেয়েন আৰু NATOৰ সাধাৰণ সচিব মাৰ্ক ৰুট আছে। এই নেতাসকলে ইউক্ৰেইনত জেলেনস্কিৰ শাসন পুনৰ সুদৃঢ় কৰাৰ লগতে কোনোধৰণৰ প্ৰস্তাৱিত শান্তি চুক্তিয়ে যাতে ইউক্ৰেইনৰ সাৰ্বভৌমত্ব আৰু দীৰ্ঘদিনীয়া সুৰক্ষা ব্যৱস্থা ধ্বংস কৰিব নোৱাৰে সেয়া নিশ্চিত কৰিব বুলি আশা কৰিছে। ইপিনে সামাজিক মাধ্যমৰ এটা বাৰ্তাত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে **ৰাছিয়া সন্দৰ্ভত বিশেষ অগ্ৰগতি** বুলি উল্লেখ কৰে যদিও এইক্ষেত্ৰত কোনো বিৱৰণ নিদিয়ে। ইয়াৰ ফলত ইউক্ৰেইন-ৰাছিয়াৰ সংঘৰ্ষ সন্দৰ্ভত বিভিন্ন দিশত অনুমান বৃদ্ধি হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভোকেল ফৰ লোকেলৰ প্ৰতি আস্থা ৰাখি ভাৰতীয় লোকসকলক দেশত নিৰ্মিত সামগ্ৰীসমূহৰ ওপৰত বিশ্বাস ৰাখি এইসমূহ ক্ৰয় কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি ১১ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া দুটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতক এখন স্ব-নিৰ্ভৰশীল দেশ হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস অব্যাহত ৰাখিব লাগিব। তেওঁ লগতে কয়, যে সামগ্ৰী আৰু সেৱাকৰ ব্যৱস্থাৰ সংস্কাৰ সাধনৰ জৰিয়তে অনাগত সময়ছোৱাত সমগ্ৰ দেশৰ নাগৰিকসকল লাভান্বিত হ'ব। দ্বাৰকা এক্সপ্ৰেছৰ দিল্লী খণ্ড আৰু নগৰ সম্প্ৰসাৰণ পথৰ দ্বিতীয় পৰ্য্যায়ৰ উদ্বোধনৰ জৰিয়তে দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত সংযোগ ব্যৱস্থাৰ যথেষ্ট উন্নতি ঘটিব বুলিব প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ জৰিয়তে দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ নাগৰিকসকল বহুলভাৱে উপকৃত হ'ব বুলিও তেওঁ কয়। শ্ৰীমোদীয়ে উল্লেখ কৰে যে বৰ্তমানৰ চৰকাৰখনৰ বাবে সংস্কাৰৰ অৰ্থ হৈছে, সকলো নাগৰিকক সামৰি দেশৰ উন্নতিৰ দিশে আগবঢ়া। দেশৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ প্ৰণালী সুচল কৰাৰ বাবে এই চৰকাৰখন বদ্ধপৰিকৰ বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে কেতবোৰ লক্ষ্য আগত ৰাখিহে প্ৰতিটো নীতিৰ নিৰ্ধাৰণ আৰু প্ৰতিটো সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি জানিবলৈ দিয়ে।

০০০০০

অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল লেফটেণ্টেট জেনেৰেল কে টি পৰনাইকে মাউণ্ট এলব্ৰুছ শৃংগ আৰোহন কৰা বাবে পৰ্বতাৰোহী কাবাক য়ানুক অভিনন্দন জ্ঞাপন কৰে। মাউণ্ট এলব্ৰুছ হৈছে ৰাছিয়া আৰু ইউৰোপৰ আটাইতকৈ ওখ শৃংগ।কাবাকে চলিত মাহৰ ১৬ আগষ্টত এই শৃংগটো আৰোহন কৰিছিল।

ইয়াৰ পূৰ্বে ৰাজ্যপালগৰাকীয়ে পতাকা জোকাৰি কাবাক য়ানুৰ চেভেন চাম্মিট চেলেঞ্জ মুকলি কৰে আৰু পৰ্বতাৰোহীগৰাকীৰ উৎসৰ্গাৰ মনোভাৱ তথা আত্মবিশ্বাসৰ প্ৰশংসা কৰে।

মাউণ্ট এলব্ৰুছ শৃংগটো সাগৰ পৃষ্ঠতকৈ ১৮-হাজাৰ ৫শ ১০ ফুট উচ্চতাত অৱস্থিত। এই শৃংগটো দক্ষিণ পশ্চিম ৰাছিয়াৰ সমীপৱৰ্তী জৰ্জিয়ান সীমান্তৰ কাউকাচাচা পৰ্বতত আছে। ই ইউৰোপৰ সৰাতোকৈ ওখ শৃংগ হোৱাৰ লগতে ইউৰেছিয়াৰ সৰ্ববৃহৎ আগ্নেয়গিৰি তথা বিশ্বৰ শীৰ্ষ ১০টা শৃংগৰ অন্যতম।

০০০০০

ছিকিম আৰু কালিমপঙক দেশৰ অন্যান্য প্ৰান্তৰ সৈতে সংযোগ কৰা ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো বিগত ছদিন ধৰি ভূমিস্খলনৰ বাবে বন্ধ হৈ থকাৰ পাছত কালি পুনৰ মুকলি কৰি দিয়া হৈছে। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে এই পথছোৱা মুকলি কৰিবৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰে, বিশেষকৈ 29TH মাইল এলেকাত তিষ্টা নদীয়ে পথৰ একাংশ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত কৰাৰ ফলত পথছোৱা মুকলি কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়।

০০০০০

ইজৰাইলত হাজাৰ হাজাৰ লোকে কালি গাজাত পণবন্দী হৈ থকা লোকসকলৰ পৰিয়ালৰ সমৰ্থনত ৰাষ্ট্ৰজোৱা প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই প্ৰতিবাদৰ জৰিয়তে প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুক এই যুদ্ধৰ অৱসান ঘটাবলৈ আৰু এতিয়াও বন্দী হৈ থকা সকলক মুকলি কৰি দিবৰ বাবে হামাছৰ সৈতে এখন চুক্তি কৰিবলৈ আহ্বান জনোৱা হয়। সমগ্ৰ দেশতে প্ৰতিবাদকাৰীসকলে ইজৰাইলৰ পতাকা আৰু পণবন্দীসকলৰ ফটো লৈ প্ৰতিবাদ সাব্যস্ত কৰে। বহুসংখ্যক প্ৰতিবাদকাৰীয়ে জেৰুজালেম আৰু তেল আভিভৰ মাজৰ মূল পথকে ধৰি অন্যান্য পথ আৰু ঘাইপথসমূহ বন্ধ কৰে।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত কালি ইষ্ট বেংগলে মোহন বাগান ছুপাৰ জায়েণ্টেক ২-১ৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে জামছেদপুৰৰ জে আৰ ডি টাটা স্পৰ্টছ কমপ্লেক্সত অনুষ্ঠিত আন এখন কোৱাৰ্টাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ এফ চিয়ে জামছেদপুৰ এফ চিক ২-০ৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।

উল্লেখযোগ্য যে মোহন বাগানে অষ্টাদশবাৰৰ বাবে ডুৰাণ্ড কাপৰ খিতাপ জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে ইষ্ট বেংগলে নিজৰ সপ্তদশ খিতাপৰ বাবে অৱতীৰ্ণ হ'ব।

০০০০০

চুইজাৰলেণ্ডৰ জুৰিখত চলিত মাহৰ ২৭ আৰু ২৮ আগষ্টত হ'বলগীয়া ডায়মণ্ড লীগ ফাইনেল ২০২৫ ত বিশ্ব চেম্পিয়ন তথা  দুবাৰৰ অলিম্পিক পদক বিজয়ী নীৰজ চোপ্ৰাই আনুষ্ঠানিকভাৱে তেওঁৰ স্থান দখল কৰিছে। শেহতীয়া চিলেচিয়া লেগৰ পৰা নিজক আঁতৰাই ৰখাৰ পাছতো পূৰ্বৰ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰিয়েই  এই প্ৰতিযোগিতাত অন্তৰ্ভূক্ত হোৱাৰ বাবে নীৰজ চোপ্ৰাই যোগ্যতা অৰ্জন কৰিছে। মাত্ৰ দুখন খেলৰ পৰা ১৫ পইণ্ট লাভ কৰি চোপ্ৰাই পুৰুষৰ জেভলীন থ্ৰুৰ ফাইনেলত শীৰ্ষ প্ৰতিদ্বন্দীসকলৰ তালিকাত যোগদান কৰিছে। যোৱা শনিবাৰে চিলেচিয়া লেগৰ পাছত শেহতীয়া ষ্টেডিং তালিকা প্ৰকাশ পাইছিল।

উল্লেখযোগ্য যে নীৰজ চোপ্ৰাই ২০২২ চনৰ ডায়মণ্ড লীগৰ খিতাপ জয় কৰিছিল আৰু ২০২৩ আৰু ২০২৪ চনত ৰাণাৰ্ছ আপৰ সন্মান লাভ কৰিছিল। অৱশ্যে, তেওঁ এতিয়াও দ্যা জুৰিখ ডায়মণ্ড লীগ ফাইনেলত অংশগ্ৰহণৰ কথা নিশ্চিত কৰা নাই।

ooooo

সমাপ্ত